# অধ্যায় ১ ঃ সংস্কৃতিৰ সংজ্ঞা আৰু স্বৰূপ বিচাৰ

## অধ্যায় গাঁথনি


১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ সংস্কৃতিৰ সংজ্ঞা

১.৪ সমাজ আৰু সংস্কৃতি

১.৫ সংস্কৃতি আৰু পৰিৱেশ

১.৬ সংস্কৃতিৰ স্বৰূপ আৰু উপাদান

- ১.৬.১ সংস্কৃতিৰ স্বৰূপ
- ১.৬.২ সংস্কৃতিৰ উপাদান
- ১.৬.৩ সংস্কৃতিৰ বৈশিষ্ট্য
- ১.৬.৪ সংস্কৃতিৰ ভাগ

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৮ অধিক জানিবলৈ

১.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১.১০ আৰ্হি প্ৰশ্ন


## ১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'সংস্কৃতি' শব্দৰ ব্যুৎপত্তি তথা বিকাশ সম্বন্ধে আভাস পাব
- 'সংস্কৃতি' অভিধাই সামৰি লোৱা মানৱিক কৃতিৰ পৰিসৰ আৰু এই সম্পৰ্কীয় বিভিন্ন বিদ্যায়তনিক দৃষ্টিকোণৰ পৰিচয় পাব
- 'সংস্কৃতি'ৰ সংজ্ঞাৰ বহুধা বিচিত্ৰ ৰূপৰ আভাস পাব
- 'সংস্কৃতি'ৰ পৰিসৰ আৰু উপাদান সম্পৰ্কীয় সম্যক ধাৰণা লাভ কৰিব।

## ১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া প্ৰথম ষাণ্মাসিকৰ চতুৰ্থ পাঠ্যবিষয় 'অসমীয়া সংস্কৃতি'ৰ এইটো প্ৰথম অধ্যায়। এই অধ্যায়টো এই বিশেষ পাঠ্যবিষয়ৰ বাটচ'ৰা স্বৰূপ। সেই বাবে পাঠ্যবিষয়ৰ আৰম্ভণিতে 'সংস্কৃতিৰ সংজ্ঞা আৰু স্বৰূপ বিচাৰ' শীৰ্ষক প্ৰথম অধ্যায়ৰ আলোচনাৰে অসমীয়া সংস্কৃতিৰ বৰ্ণাঢ্য দিশসমূহৰ লগত জড়িত আলোচনাভাগ মুকলি কৰা হৈছে। সংস্কৃতিৰ প্ৰাথমিক ধাৰণা লাভৰ মাধ্যমেদি শিক্ষাৰ্থীয়ে এই বিশেষ পাঠ্যবিষয়ৰ মূল উদ্দেশ্য আৰু লক্ষ্যত উপনীত হোৱাৰ পথ সুগম হ'ব।

## ১.৩ সংস্কৃতিৰ সংজ্ঞা

বহলভাৱে বিচাৰ কৰিবলৈ গ'লে 'সংস্কৃতি' হ'ল নৃতত্ত্ব (Anthropology) আৰু সমাজতত্ত্বৰ ভিতৰুৱা বিষয়। নৃতত্ত্বৰ এটা গুৰুত্বপূৰ্ণ শাখা হ'ল সাংস্কৃতিক নৃতত্ত্ব (Cultural Anthropology)। সেইবাবে Cultural Anthropologyৰ সম্পৰ্কে বিদ্বানসকলৰ মন্তব্যৰ চমু আলোচনাই সংস্কৃতিৰ আলোচনালৈ যোৱাত আপোনাক নিশ্চিতভাৱে সহায় কৰিব।

বিখ্যাত আমেৰিকান নৃতত্ত্ববিদ M. J. Herkovits-এ তেওঁৰ Man and His Works (1955) গ্ৰন্থত কৈছে— "Cultural anthropology study the ways man has devised to cope with his natural setting and his social millieu and how bodies of customs are learnt, retained and handed over from one generation to the next." (সাংস্কৃতিক নৃতত্ত্বই প্ৰকৃতিৰ সৈতে ফেৰ মাৰি সহবাস কৰিবলৈ আৰু সামাজিক পৰিস্থিতিত মিলি থাকিবলৈ উদ্ভাৱন কৰা উপায়বোৰৰ অধ্যয়ন কৰে; তদুপৰি এনে প্ৰেক্ষাপটত গঢ় দি তোলা আচাৰ-ৰীতিবোৰ কিদৰে শিকে, সংৰক্ষণ কৰে আৰু এটা প্ৰজন্মৰপৰা আন এটা প্ৰজন্মলৈ প্ৰৱাহিত কৰি নিয়ে সেয়া অধ্যয়ন কৰে।)

বিশিষ্ট অসমীয়া নৃতত্ত্ববিদ ভুৱন মোহন দাসে এইযাৰ কথা বৰ সাৱলীলভাৱে কৈ গৈছে— "পৰিৱেশৰ লগত অনুকূলক্ষম হ'বলৈ কোনো জনগোটৰ সমূহীয়া বা এগৰাকী ব্যক্তিৰ গাইগুটীয়া আৰু বৌদ্ধিক প্ৰচেষ্টাৰ সামগ্ৰিক ৰূপেই সংস্কৃতি।" পৰিৱেশ আৰু সংস্কৃতিৰ সম্পৰ্কৰ বিষয়ে যথাস্থানত আলোচনা কৰা হৈছে।

সাংস্কৃতিক নৃতত্ত্বৰে দুখন প্ৰধান ক্ষেত্ৰ হ'ল— Ethnology আৰু Ethnography। Ethnology is the comparative study of culture and the investigation of theoritical problems using information about different groups. Ethnography is simply the description of one culture and not a comparative study.

'সংস্কৃতি' শব্দটো আৰ্য্য ভাষাৰ শব্দ যদিও ইংৰাজী Culture শব্দৰ প্ৰতিশব্দ ৰূপে ইয়াৰ ব্যৱহাৰ বৰ বেছি পুৰণি নহয়। কুৰি শতিকাৰ তৃতীয় দশক মানত সুনীতি কুমাৰ চেটাৰ্জীয়ে মহাৰাষ্ট্ৰী বন্ধুৰ দ্বাৰা অনুপ্ৰাণিত হৈ 'সংস্কৃতি' শব্দটোৰ প্ৰতি ৰবীন্দ্ৰনাথৰ দৃষ্টি আকৰ্ষণ কৰে। ইয়াৰ আগলৈকে Culture শব্দৰ প্ৰতিশব্দ ৰূপে 'কৃষ্টি' শব্দই ভাৰতীয় ভাষাসমূহত ব্যৱহাৰ হৈ আছিল। কিন্তু ৰবীন্দ্ৰনাথ 'কৃষ্টি' শব্দটো লৈ সন্তুষ্ট হ'ব পৰা নাছিল। কাৰণ, কৃষ্ + ক্তি = কৃষ্টি শব্দৰ মাজত 'কৃতি'ৰ কথাহে আছে; সেই কৃতিৰ মাজত পৰিশীলিত অনুশীলনৰ কথা নাই। ৰবীন্দ্ৰনাথৰ Culture এক ধৰণৰ মানৱিক মানসিক উৎকৰ্ষতাৰ অনুশীলনযুক্ত ধাৰণা। সেইবাবে, 'সংস্কৃতি' শব্দটো পাই ৰবীন্দ্ৰনাথে দুগুণ উৎসাহেৰে শব্দটো জনপ্ৰিয় কৰি তোলে। আমাৰ জ্যোতিপ্ৰসাদৰ চেতনাতো যে Cultureৰ ধাৰণা ৰবীন্দ্ৰনাথৰ প্ৰায় সমধৰ্মী *নিমাতী কইনা* নাটকখনতেই সেই কথাৰ ইঙ্গিত আছে। কৰ্ষণ তথা সাধনাৰে পৰিশীলিত শিল্পীসত্তাৰ অধিকাৰী বীণ ব'ৱাগীয়েহে কলালক্ষ্মীৰ প্ৰতীক নিমাতীৰ মাত উলিয়াব পাৰিলে; শিপিনী, দাৱনী আদিয়েও য'ত হাৰ মানিলে

কিন্তু হ'লেও জ্যোতিপ্রসাদে স্পষ্ট কৰি গৈছে যে মনোগত উৎকর্ষ তথা নান্দনিকতা সংস্কৃতিৰ ওপৰ ভাগতহে শ্রেষ্ঠ সম্পদ।

'সংস্কৃতি' শব্দটোৰ মূল সংস্কৃত 'কৃ' ধাতু; সম + কৃ + ক্তি = সংস্কৃতি। বুৎপত্তিগতভাৱে 'সংস্কৃত' (সম্-কৃ-ক্ত) আৰু সংস্কাৰ (সম্-কৃ-ঘঞ) শব্দ দুটাৰে 'সংস্কৃতি'ৰ ওচৰ সম্বন্ধ। বিশিষ্ট নৃতত্ত্ববিদ D. N. Mazumder আৰু T. N. Madanৰ মতে 'সংস্কৃত' আৰু 'সংস্কৃতি' দুয়োটা শব্দৰে বিকাশ হৈছে 'সংস্কাৰ' শব্দৰপৰা— Both Sanskrit and Sanskriti are derived from 'Sanskar', meaning ritual performanance. ভাৰতীয় পৰম্পৰাত, হিন্দু সমাজ ব্যৱস্থা মতে ধর্মীয় আচাৰ-অনুষ্ঠানৰ মাজেদিয়েই ব্যক্তিৰ পৰিশোধন ঘটে, কর্ষণ হয় অথবা উৎকর্ষ সাধন হয়। 'সংস্কাৰ' শব্দৰ অর্থও হ'ল— made perfect, refined, polished, cultivated।

'Culture' শব্দৰ মূল লেটিন ভাষাৰ Cultura (কুলতুৰা)। সেই অনুসৰি Culture শব্দৰ মাজত এক ধৰণৰ অনুশীলনৰ ইঙ্গিত আছে। অর্থাৎ ভূমি কর্ষণৰদ্বাৰা শস্য উৎপাদন হোৱাৰ দৰে মনোভূমি কর্ষণৰ জৰিয়তে বাস্তৱ জীৱনক মার্জিত, ৰুচিবান আৰু পৰিশীলিত কৰাৰ আন্তৰিক প্রয়াসৰ অর্থও Culture শব্দৰ মাজত আছে। ৰবীন্দ্রনাথৰ এই শব্দটোৰ প্রতি আকর্ষণৰ কাৰণো এয়ে। আপোনাৰ চৌদিশৰ সমাজত গীত-নৃত্য-শিল্পকলা অর্থত শিথিলভাৱে সংস্কৃতি শব্দটোৰ প্রয়োগ লক্ষ্যণীয়। আচলতে মানুহৰ সামগ্রিক জীৱন প্রৱাহৰ মাজতে এক ধৰণৰ গভীৰ সৌন্দর্যবোধ তথা উৎকর্ষৰ চেতনা আছে। সেইবাবে সংস্কৃতি শব্দই এই সমগ্রতাকে সামৰি ল'ব পাৰে। এই বিষয়ে ক্রমশঃ আলোচনা কৰা হৈছে।

আলোচনাৰপৰা আপুনি নিশ্চয় এটা কথা বুজি পাইছে যে 'সংস্কৃতি' শব্দটো যদিও ভাৰতীয় মূলৰ শব্দ, তথাপি ইয়াৰ প্রয়োগৰ ব্যাপ্তি আৰু অর্থগত সাহচর্য ইংৰাজী Culture শব্দৰ লগৰহে। সেইবাবেই 'সংস্কৃতি'ৰ সংজ্ঞা আৰু স্বৰূপ বিচাৰিবলৈ হ'লে ভাৰতীয় বিদ্বানেও Cultureৰ সংজ্ঞা, স্বৰূপ আৰু উপাদানৰ কায চাপিবলগীয়া হয়।

'সংস্কৃতি'ৰ এক সর্বজনগ্রাহ্য সংজ্ঞা দিয়াটো সহজ নহয়। অধ্যয়ন ক্ষেত্র বিশেষে বিভিন্ন জনে সংস্কৃতিৰ সংজ্ঞা আৰু ব্যাখ্যা আগবঢ়াইছে। আলফ্রেড ক্রোবাৰ আৰু ক্লাইড ক্লাকহন নামৰ দুজন মার্কিন নৃতত্ত্ববিদে ১৯৫২ চনত এখন গ্রন্থত দেখুৱাইছিল যে তেতিয়ালৈকে সংস্কৃতিৰ বিষয়ে ১৭৫টা সংজ্ঞা সৃষ্টি হৈছিল।

'সংস্কৃতি'ৰ সংজ্ঞাৰ মাজলৈ যোৱাৰ আগতে এটা কথা স্পষ্টভাৱে মনত ৰখা ভাল যে পৃথিৱীৰ এনে কোনো সম্প্রদায় নাই, যাৰ সংস্কৃতি নাই। সমাজ ভেদে সংস্কৃতিৰ প্রকাশভঙ্গী আৰু উপাদানবোৰৰ তাৰতম্য থাকিব পাৰে। কিন্তু সংস্কৃতিবিহীন মানৱ সমাজ এখনৰ কথা ভাবিব নোৱাৰি।

ইংৰাজী Culture পদটোৰ প্রথম ব্যৱহাৰ কৰিছিল বৃটিছ নৃতত্ত্ববিদ এডৱার্ড বার্মেট টাইলাৰে ১৮৭১ খ্রীষ্টাব্দত। টাইলাৰৰ মতে (Primitive Culture, vol. I, New York, 1874, p.1) Culture or civilization in that complex whole which includes knowledge, beliefs, arts, morals, laws, customs and other capabilities and habits acquired by man as a member of society. (সমাজৰ অঙ্গীভূত সদস্য হিচাপে মানুহে

আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, প্ৰমূল্যবোধ, ৰীতি-নীতি, আচাৰ-অনুষ্ঠান আৰু অন্যান্য সামাজিক সামৰ্থ্যৰ সামগ্ৰিক যৌগিক ৰূপেই সংস্কৃতি।)

সংজ্ঞাটোত জীৱনৰ সামগ্ৰিক কৃতিপ্ৰবাহক সামৰি লোৱা উপৰি অন্য এটা কথাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। সেয়া হ'ল Acquired by Man— মানে, সংস্কৃতি আহৰণ কৰা হয়। অৰ্থাৎ, সংস্কৃতি জৈৱিক উত্তৰাধিকাৰ (Biological Heredity) নহয়; বৰং ই সামাজিক অনুশীলনৰহে ফল। ই সামাজিক উত্তৰাধিকাৰ। সামাজিক প্ৰাণী হিচাপে আহৰণ কৰা ক্ষমতা আৰু স্বভাৱবোৰহে সংস্কৃতিৰ ভিতৰত ধৰা হৈছে। অৰ্থাৎ, জৈৱিক গুণ আৰু সমাজে অনুমোদন নকৰা কাৰ্যকলাপবোৰ সংস্কৃতিৰ ভিতৰত নপৰে। ইয়াৰ বাহিৰে মানুহে নিজ নিজ জীৱনকালত আনৰ পৰা শিকা সকলো কথা আৰু কাৰ্যই সংস্কৃতিৰ অঙ্গ।

টাইলাৰৰ এই সংজ্ঞাৰ আধাৰত মেলিনৌস্কিয়ে সংস্কৃতিৰ দুটা প্ৰধান দিশৰ প্ৰতি মনোযোগ দিয়ে— সামাজিক সংস্কৃতি আৰু ভৌতিক (Material) সংস্কৃতি। Bindey-এ তাকে প্ৰসাৰিত কৰি সংস্কৃতিৰ চাৰিটা প্ৰধান দিশৰ কথা কয়— Culture is a product of agrofacts, artifacts, sociofacts and mentifacts। ইয়াত Agrofacts (কৃষিমূলক), Artifacts (শিল্পমূলক), Sociofacts (সমাজ বিষয়ক) আৰু Mentifacts (মানসিক) শব্দকেইটাই ক্ৰমে কৃষিগত উৎপাদন আৰু আনুষঙ্গিক কীৰ্তিকলাপ, শিল্প-উদ্যোগজাত উৎপাদন আৰু আনুষঙ্গিক ক্ৰিয়াকলাপ, সামাজিক অনুষ্ঠান আৰু শেষৰটোৱে ভাষা, ধৰ্ম, কলা ইত্যাদি বিষয় সামৰি লয়।

'সংস্কৃতি' সম্পৰ্কীয় এই দৃষ্টিকোণক D. N. Mazumdar-এ 'Sensate view of Culture' বুলিছে।

Ruth আৰু Benedict-এ ইয়াৰ বিপৰীতে 'সংস্কৃতি'ক ৰীতিগত, নন্দনতাত্ত্বিক দৃষ্টিৰে (Formalistic, Aesthetic View Point) বিচাৰ কৰিব খোজে। তেওঁলোকে ক'ব বিচাৰে, সংস্কৃতিৰ বিকাশত তাৰ সামাজিক জীৱনৰ প্ৰেক্ষাপটতকৈ আনুষ্ঠানিক বিন্যাস আৰু সংগঠনে বেছি গুৰুত্ব পায় (Culture is not so much to be conceived in terms of the content of social life as in terms of its formal ordering and organisation)।

Redcliffe আৰু Brown-এ সংস্কৃতিক মূলতঃ কৰ্ষণ (Cultivation) বুলি বিবেচনা কৰে। তেওঁলোকৰ বিচাৰত সংস্কৃতি হ'ল পৰম্পৰা আহৰণ আৰু পৰৱৰ্তী প্ৰজন্মলৈ প্ৰৰাহিত কৰা এটা প্ৰক্ৰিয়া, এই প্ৰক্ৰিয়াৰ দ্বাৰাই সমাজ চিৰস্থায়ী হয় (The process of handing down and acquiring traditions, as a result of which society is perpetuated)।

M. I. Herskovits-এ খুব কম কথাৰে সংস্কৃতিৰ এটা অৰ্থপূৰ্ণ সংজ্ঞা দিছে। তেওঁ কৈছে— Culture is the learned portion of human behaviour। সংজ্ঞাটোত মানৱ আচৰণৰ Learned Portionখিনিকে সংস্কৃতি বোলা হৈছে। অৰ্থাৎ, মানুহে একোখন সমাজত বাস কৰে, প্ৰতিখন সমাজ বহুযুগৰ অভিজ্ঞতাৰে সমৃদ্ধ। ব্যক্তিয়ে সমাজৰপৰা জীৱনধাৰণৰ বাবে প্ৰয়োজনীয় বহুবোৰ বিষয় আহৰণ কৰে। প্ৰকৃতিৰ পৰা, সমাজৰ পৰা, নিজৰ আপোন অভিজ্ঞতাৰ পৰা আহৰণ কৰা জ্ঞান, অভিজ্ঞতা আদিৰে ব্যক্তি সমৃদ্ধ হয়। জীৱনটো যদি জীয়াই থকাৰ সাধনা

হয়, তেনেহ'লে (Learned Portion) সাধনাসিদ্ধ মানৱিক আচৰণকে সংস্কৃতি বুলিব পাৰি। সংস্কৃতিয়ে ব্যক্তিক পৰিশোধিত কৰে; ব্যক্তিৰ আচৰণক নিয়ন্ত্রণ কৰে আৰু গঢ় দিয়ে। Herskovits-এ সেয়ে পুনৰ কৈছে— Culture is the man made part of the environment— পৰিৱেশৰ মানৱসৃষ্ট অংশই সংস্কৃতি। সংস্কৃতি মানুহৰ সৃষ্টি— কিন্তু ব্যক্তি বিশেষৰ নহয়। একেদৰে মানুহো সংস্কৃতিৰ সৃষ্টি— মানুহেই প্রজন্মৰপৰা প্রজন্মলৈ একোখন সমাজৰ সংস্কৃতি বহন কৰি থাকে।

অন্য এগৰাকী নৃতত্ত্ববিদ Malinowski (1884-1942)-এ 'সংস্কৃতি'ৰ বিষয়ে কৈছে— Culture as an instrumental reality and apparatus for the satisfaction of the biological and derived need। (সংস্কৃতি একধৰণৰ যান্ত্রিক বাস্তৱতা; ই জৈৱিক প্রবৃত্তিগত সন্তুষ্টি পূৰাব পৰা সঁজুলি স্বৰূপ।)

Malinowski-এ সংস্কৃতিৰ জৈৱিক দিশটোৰ ওপৰত গুৰুত্ব দিছে আৰু মানৱ-আচৰণৰ জৈৱিক-প্রবৃত্তিগত বৈশিষ্ট্যৰ ব্যাখ্যা কৰিছে। অর্থাৎ প্রবৃত্তিগতভাৱে মানুহ সৌন্দর্যপ্রয়াসী, মানুহে সঙ্গীত, কাব্য-ব্যঞ্জনাময় আখ্যান ভাল পোৱাৰ দৰে মানুহৰ ভাল ব্যৱহাৰ, পৰিশীলিত জীৱন, সাধাৰণ কাম এটাও Polished, দৃষ্টিনন্দন অথবা সুখকৰ হোৱাটো বিচাৰে। এই জৈৱিক-প্রবৃত্তিগত মানৱ আচৰণৰ পৰা উদ্ভূত সামগ্রিক কৃতিয়েই সংস্কৃতি। Malinowski-এ সেইবাবে সংস্কৃতিৰ সংজ্ঞা দিছে এনেদৰে— Culture is a total system of life and includes all the mental, social and physical means, which make life run its course। (অর্থাৎ, জীৱনৰ স্বাভাৱিক প্রৱাহৰ উপায় স্বৰূপ মানসিক, সামাজিক, শাৰীৰিক— এই সমগ্র দিশ সামৰি লোৱা জীৱনৰ সামগ্রিকতাই সংস্কৃতি।)

মন কৰিব, টাইলাৰে নিজৰ সংজ্ঞাত সংস্কৃতি আৰু সভ্যতাৰ পার্থক্য ৰখা নাছিল। কিন্তু Weber আৰু MacIver আদি নৃতত্ত্ববিদে সংস্কৃতি আৰু সভ্যতাৰ পার্থক্য সূচিত কৰিছে। তেওঁলোকে সভ্যতাক বিজ্ঞান-প্রযুক্তিবিদ্যাৰ মাজতে সীমাবদ্ধ ৰাখি সংস্কৃতিক দর্শন-ধর্ম-কলাৰ আধাৰত বিচাৰ কৰিছে। MacIver আৰু C. H. Page-এ কৈছে— Culture includes all that man has acquired in the mental and intellectual sphere of his individual and social life. Culture is the antithesis of civilization. It is the expression of our nature in our modes of living and thinking, in our every day intercourse, in art, in literature, in recreation and enjoyment. এওঁলোকে সংস্কৃতিক সভ্যতাৰ সম্পূর্ণ বিপৰীত বুলি বিবেচনা কৰিছে আৰু মানুহে ব্যক্তিগত আৰু সামাজিক জীৱনৰ মানসিক আৰু বৌদ্ধিক পৰিধিত আহৰণ কৰা সমগ্রতাকে সংস্কৃতি বুলি স্পষ্টভাৱে কৈছে। সংস্কৃতি আমাৰ আচৰণৰ প্রকাশ, আমাৰ জীৱনধাৰণৰ ধৰণ, আমাৰ চিন্তা-ভাৱনা, আমাৰ দৈনন্দিনতা, কলা-সাহিত্য-অৱসৰ বিনোদন— এই আটাইবোৰৰে প্রকাশ মাথোন।

সাধাৰণ অর্থত, যিবোৰ সংস্কৃতি লিখিত সাহিত্য, কলা, বিজ্ঞান, বাণিজ্য আদিত আগবঢ়া, সেইবোৰক সভ্যতা আখ্যা দিয়া হয়। আনহাতে, এই দিশবিলাকত পিছপৰি ৰোৱা সংস্কৃতিক 'আদিম' বা 'অনুন্নত' আখ্যা দিয়া হয়। কিন্তু নৃতত্ত্ববিদসকলে নানা তথ্যপাতিৰে প্রমাণ কৰি দেখুৱাইছে যে

অকল লিখিত সাহিত্য, শিল্প বা বাণিজ্যই সংস্কৃতিৰ মানদণ্ড নহয়। কাৰণ, তথাকথিত অনুন্নত সংস্কৃতিও নানা উপাদানেৰে চহকী হ'ব পাৰে। দুটা সংস্কৃতিৰ মাজৰ পার্থক্যৰ মূলতে সুকীয়া পৰিৱেশ আৰু সুকীয়া প্রয়োজন সাপেক্ষ। গতিকে এনে পার্থক্যৰ ভিত্তিত সংস্কৃতিৰ উচ্চ-নীচ বিচাৰ অনুচিত।

John J. Honigmann-এ তেওঁৰ Understanding Culture গ্রন্থত কৈছে— Obviously this term culture embraces a great deal. It designates man made artifacts, activities people perform and ideas and feelings ... a way of life belonging to a designated agregate of people। মানৱসৃষ্ট সকলোবোৰ শিল্পকর্ম, কৃতিকলাপ, সৃষ্টিশীল ভাবনা-অনুভূতি তথা সামগ্রিক জীৱন প্রবাহক 'সংস্কৃতি' পৰিভাষাই সামৰি লয়। সমাজ সম্পর্কত মানুহৰ বস্তুজীৱন আৰু ভাৱজীৱন বা বহির্জীৱন আৰু অন্তর্জীৱনৰ সামগ্রিক ক্রিয়া-প্রতিক্রিয়াৰ স্বৰূপেই সংস্কৃতি।

উপৰিউক্ত সংজ্ঞাসমূহৰ আলোচনাৰপৰা আপুনি কেইটামান কথা নিশ্চয় মন কৰিছে যে 'সংস্কৃতি' আহৰণ কৰা হয়; 'সংস্কৃতি'ক সমাজ পৰিপ্রেক্ষিততহে বিচাৰ কৰিব পাৰি; 'সংস্কৃতি'য়ে বস্তুগত আৰু মনোগত দুয়োটা দিশ সামৰি লয়।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ১ ঃ** 'সংস্কৃতি' শব্দৰ বুৎপত্তিগত অর্থ লিখি ইয়াৰ প্রয়োগৰ পৰিসৰ সম্বন্ধে আলোচনা কৰক।

(২৫০টা শব্দৰ ভিতৰত লিখক)

## ১.৪ সমাজ আৰু সংস্কৃতি

ইতিপূর্বে কৰি অহা আলোচনাত সংস্কৃতিৰ যি স্বৰূপ প্রতিভাত হৈছে তাতে সমাজৰ গুৰুত্বও নিশ্চয় আপুনি উপলব্ধি কৰিছে। মানৱ জীৱন যিদৰে সংস্কৃতিৰ অৱয়ব আৰু অৱলম্বন, একেদৰে মানৱ সমাজো সংস্কৃতিৰ গুৰুত্বপূর্ণ আধাৰ। কাৰণ, ব্যক্তিৰ মনোজগত অথবা মানৱ আচৰণ সমাজক কেন্দ্র কৰিহে গঢ় লয়। সেয়ে আমি সমাজ সাপেক্ষে ভিন্ন ভিন্ন সংস্কৃতি পাওঁ। প্রতিখন সমাজ তাৰ চৌদিশৰ পাৰিপার্শ্বিকতা, ভৌগোলিক অৱস্থান অনুসৰি গঢ় লয়; প্রতিখন সমাজৰে থাকে নিজা বিৱর্তনৰ ইতিহাস। মার্ক্সীয় ব্যাখ্যাত প্রতিখন সমাজ হ'ল নির্দিষ্ট আর্থ-সামাজিক আৰু ঐতিহাসিক কালৰ ভিত্তিত গঢ় লোৱা নিজস্ব উৎপাদন পদ্ধতি, আধাৰ আৰু উপৰিসৌধৰ এক সামগ্রিক ৰূপ। আনহাতে, একোখন সমাজৰ মানুহে সমাজ আৰু প্রকৃতিৰ সম্বন্ধৰ দ্বাৰা অর্জন কৰা ঐতিহাসিক বিকাশৰ একোটা স্তৰকে সংস্কৃতিয়ে প্রতিফলিত কৰে।

উপৰিউক্ত বক্তব্যৰ দ্বাৰা সংস্কৃতিৰ কালগত ধাৰণা এটা মুকলি হ'ল। অর্থাৎ সমাজ ভেদে সংস্কৃতি ভিন্ন হোৱাৰ দৰে একেখন সমাজৰে দুটা বিশেষ ঐতিহাসিক স্তৰৰ সাংস্কৃতিক ৰূপ ভিন্ন

হ'ব পাৰে। সমাজ পৰিৱৰ্তনশীল গুণেই সংস্কৃতিও পৰিৱৰ্তনশীল। অন্যহাতে, একেখন সমাজৰ অন্তৰ্ভুক্ত ব্যক্তিসমূহৰ মাজত আচৰণগত পাৰ্থক্য থাকিলেও সামূহিকভাৱে ব্যক্তিৰ আচৰণে সেই সমাজখনৰ সাংস্কৃতিক বৈশিষ্ট্যকেই প্ৰতিফলিত কৰে। সমাজ এখন কিছুমান অনুশাসনৰ আধাৰত বৰ্তি থাকে। এই অনুশাসনবোৰো ব্যক্তিয়ে আহৰণ কৰি লয়। অনুশাসন আহৰণৰ উপৰি জীৱন নিৰ্বাহৰ প্ৰয়োজনতে ব্যক্তিকে নিজকে বিষয়ীগতভাৱে সমাজৰ অংগীভূত বুলি মানি লয়; ইয়েই সামাজিকীকৰণ। সামাজিকীকৰণৰ মাজেদি সমষ্টিৰ সাংস্কৃতিক আচৰণ ব্যক্তিয়ে আহৰণ কৰে; সমান্তৰালভাৱে ব্যক্তিৰ দ্বাৰা নিৰ্মিত কোনো কৃতি সমষ্টিগত ৰূপত সাংস্কৃতিক আচৰণ ৰূপেও বিকশিত হ'ব পাৰে।

উপৰিউক্ত সংক্ষিপ্ত আলোচনাত ব্যক্তি-সমাজ-সংস্কৃতিৰ বিচিত্ৰ সম্পৰ্কক বিভিন্ন দৃষ্টিকোণৰ পৰা চোৱাৰ ইঙ্গিত মাত্ৰ দিয়া হৈছে। ইয়াৰ দ্বাৰা আপুনি নিজৰ চিন্তাৰ বাবে নিশ্চয় এটি বাট পাব।

## ১.৫ সংস্কৃতি আৰু পৰিৱেশ

আধুনিক সমাজ বিজ্ঞানীয়ে কেৱল সমাজ-পাৰিপাৰ্শ্বিকতাৰ পটভূমিতেই নহয়, বৰং পৰিৱেশৰ পৰিপ্ৰেক্ষিততো সংস্কৃতিৰ মূল্যায়নত গুৰুত্ব দিয়ে। এই দৃষ্টিকোণৰ পৰাই নৃতত্ত্ববিদ ভুৱন মোহন দাসে কৈ গৈছে—"পৰিৱেশৰ লগত অনুকূলক্ষম হ'বলৈ কোনো জনগোটৰ সমূহীয়া বা এগৰাকী ব্যক্তিৰ গাইগুটীয়া বস্তুগত আৰু বৌদ্ধিক প্ৰচেষ্টাৰ সামগ্ৰিক ৰূপেই সংস্কৃতি।"

পৰিৱেশ তিনি প্ৰকাৰৰ— প্ৰাকৃতিক, সামাজিক আৰু অতিলৌকিক। অতিলৌকিক পৰিৱেশো সামাজিক পৰিৱেশৰ দৰে মানৱ সৃষ্ট, মানুহৰ কল্পনাৰ নিৰ্মিত। গতিকে পৰিৱেশ আচলতে দুই প্ৰকাৰৰ— প্ৰাকৃতিক আৰু মানৱসৃষ্ট। প্ৰাকৃতিক পৰিৱেশকে নৃতত্ত্ববিদসকলে আবাসভূমি নাম দিছে।

সংস্কৃতিৰ ৰূপ নিৰ্মাণত প্ৰাকৃতিক পৰিৱেশ বা আবাসভূমিৰ তাৎপৰ্যপূৰ্ণ ভূমিকা থাকে। ভুবন মোহন দাসে উত্তৰ আমেৰিকাৰ তুষাৰবৃত উত্তৰ মেৰু অঞ্চলত বাস কৰা এস্কিম' সকলৰ উদাহৰণেৰে বিষয়টো আলোচনা কৰিছে। বৰফৰ লগতে আজীৱন সহবাস কৰিব লগা হোৱা বাবে তেওঁলোকে সেই পৰিৱেশৰ অনুকূলে নিজৰ সংস্কৃতি গঢ়ি লৈছে। তাত কৃষি নহয়, পশুপালনো সম্ভৱ নহয়। সেয়ে তেওঁলোক চিকাৰজীৱী। মাছ-মাংসই তেওঁলোকৰ প্ৰধান খাদ্য। তিমি বা সিন্ধুঘোটক চিকাৰ কৰিবলৈ হাড়েৰে হাথিয়াৰ তৈয়াৰ কৰে। শেলুৰৈক শলিতা কৰি চৰ্বিক তেল ৰূপে ব্যৱহাৰ কৰি চাকি জ্বলায়। বৰফৰ ঘৰ ইগ'লুত পাতল ছালেৰে খিৰিকী সাজে।

মধ্য অষ্ট্ৰেলিয়াৰ উত্তপ্ত অনুৰ্বৰ ভূমিত বা কেম্যুৰ গল্পত পোৱা আলজেৰিয়াৰ মৰু অঞ্চলৰ অধিবাসীসকলেও সেই আবাসভূমিৰ অনুকূলক্ষম কৰি নিজৰ সংস্কৃতি গঢ়ি তুলিছিল। পানী থকা গাতৰ চাৰিওকাষে তেওঁলোকে উদ্ভিদ গজিবলৈ নিদিয়ে; উদ্ভিদে পানী শুহি লয়। পোক-পৰুৱা, জেঠী, কেৰ্কেটুৱা, ভেকুলী, ঘঁৰিয়াল, গছৰ গুটি, পাত, শিপা আদি যিহকে পায় তাকে খাই ভোক গুচায়।

উপৰিউক্ত দুটা উদাহৰণৰ লগত অসমৰ দৰে সেউজ প্ৰকৃতিৰ মাজত নাতিশীতোষ্ণ পৰিৱেশত বসবাস কৰা জনবসতিৰ তুলনা কৰক। ভাৰতৰে ৰাজস্থান অঞ্চলৰ সাজ-সজ্জা, সা-সামগ্ৰীৰ তুলনা কৰক। ৰাজস্থানৰ শুকান মৰুময় প্ৰাকৃতিক পৰিৱেশত মানুহৰ মনবোৰ সজীৱ কৰি ৰখাৰ বাবেই তাৰ সাংস্কৃতিক পৰিৱেশত ৰঙৰ ইমান মেলা; আনকি উটৰ পিঠিত দিয়া কাপোৰখনো কিমান ৰংচঙীয়া। ইয়াৰ বিপৰীতে অসমৰ সেউজ ৰঙীন প্ৰকৃতিয়ে ঋতু অনুসৰি ইমান ৰং সিচে, কৃত্ৰিম ৰঙৰ প্ৰয়োজনেই নোহোৱা হয়।

উপৰিউক্ত আলোচনাৰ সাৰমৰ্ম হ'ল সংস্কৃতি প্ৰাকৃতিক পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল। কিন্তু কুৰি শতিকাৰ মাজভাগৰ পৰা নৃতত্ত্ববিদসকলে লক্ষ্য কৰিলে যে একে প্ৰাকৃতিক পৰিৱেশত বাস কৰা দুটা জনগোটৰ সংস্কৃতি বেলেগ হ'ব পাৰে। ভুবন মোহন দাসে মধ্যপ্ৰদেশ আৰু উৰিষ্যাত একে প্ৰাকৃতিক পৰিৱেশত বাস কৰা দুটা জনগোটৰ জীৱনযাত্ৰাৰ প্ৰণালীৰ পাৰ্থক্যৰ উদাহৰণ দিছে। একেদৰে, একে পৰিৱেশত ওচৰা-ওচৰিকৈ বাস কৰা আফ্ৰিকাৰ বাইৰুসকল কৃষিজীৱী, কিন্তু বাহিমাসকল গো-পালক। এনে বহু উদাহৰণ দিব পাৰি। তাৰ মানে পৰিবেশেই সংস্কৃতিৰ একমাত্ৰ আধাৰ নহয়, পৰিবেশে সংস্কৃতিৰ ওপৰত প্ৰভাৱহে পেলায়। এনে চিন্তাৰ ফলতেই ক্ৰ'বাৰৰ হাতত পাৰিপাৰ্শ্বিক সম্ভাব্যবাদ (Environmental Possibilism) তত্ত্বৰ বিকাশ হয়।

## ১.৬ সংস্কৃতিৰ স্বৰূপ আৰু উপাদান

### ১.৬.১ সংস্কৃতিৰ স্বৰূপ

সংস্কৃতিক সংজ্ঞা আলোচনাৰ বেলিকা সংস্কৃতিৰ স্বৰূপ সম্বন্ধেও কিছু কথা আপুনি নিশ্চয় ধাৰণা কৰিব পাৰিছে। কাৰণ, সংজ্ঞাবোৰে সংস্কৃতিৰ স্বৰূপকে দাঙি ধৰে। তথাপি আপোনাৰ স্পষ্ট ধাৰণাৰ বাবে বিষয়টো বহলভাৱে আলোচনাৰ অৱকাশ আছে।

সংস্কৃতিৰ সংজ্ঞা আলোচনাত আপুনি পাই আহিছে যে মানৱ সৃষ্ট সকলো বিষয়েই সংস্কৃতিৰ অন্তৰ্গত। কিন্তু একোটা জনগোটৰ সংস্কৃতিৰ লগত আন এটা জনগোটৰ সংস্কৃতি একে নহয়। কাৰণ, এটা জনগোটৰ জীৱন-যাত্ৰা আন এটা জনগোটৰ জীৱন-যাত্ৰাৰপৰা বেলেগ হ'ব পাৰে। পৰিৱেশ, বিৱৰ্তনৰ ইতিহাস, অন্য জনগোটৰ লগত সম্পৰ্ক আদি কাৰকৰ ওপৰত ভিত্তি কৰি একোটা জনগোটৰ জীৱন-প্ৰবাহৰ নিজস্ব বৈশিষ্ট্য গঢ় লয়। অৰ্থাৎ, সংস্কৃতি হ'ল এটা জনগোটৰ জীৱন-যাত্ৰাৰ লগত জড়িত সকলো বিষয়বস্তু।


সংস্কৃতিৰ স্বৰূপ বুজিবলৈ তাৰ পৰিসৰৰ ধাৰণা থাকিব লাগিব। একোটা জনগোটৰ বা একোখন সমাজৰ মাজতে নানা শ্ৰেণী বিভাজন থাকিব পাৰে। যেনে— ভাৰতৰ জাতিভেদ (Caste System) ব্যৱস্থাৰ প্ৰভাৱত থকা সমাজ এখনত একে পৰিৱেশ, প্ৰশাসনীয় ব্যৱস্থা আৰু ভৌগোলিক অৱস্থানত থাকিও ব্ৰাহ্মণ-কলিতা-শূদ্ৰ জনজাতি (ST)— এই ক্ষুদ্ৰ গোটবোৰৰ জীৱন-প্ৰবাহৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। একেদৰে

বৃত্তিগতভাৱেও এখন সমাজত শ্ৰমিক, কৃষক, গো-পালক, চাকৰিজীৱী আদি থাকিব পাৰে। তদুপৰি কমাৰ, কুমাৰ, কঁহাৰ আদি বৃত্তিজীৱী ফৈদবোৰো থাকে। এনে ভাগ অনুসৰিও সংস্কৃতিৰ ভিন্নতা পৰিলক্ষিত হয়।

সমান্তৰালভাৱে, বিভিন্ন নৃগোষ্ঠীৰ স্বকীয় সাংস্কৃতিক ঐতিহ্য থাকে। এনে একাধিক নৃগোষ্ঠী বা বিভিন্ন সাংস্কৃতিক ঐতিহ্য বহনকাৰী জনগোটৰ সহাৱস্থান-সমন্বয়ৰ মাজেদি একোটা জাতিসত্তাৰ বিকাশ হ'ব পাৰে। এনে জাতিসত্তা অনুসৰিও আমি সংস্কৃতিৰ নামকৰণ কৰোঁ। যেনে— অসমীয়া সংস্কৃতি। আকৌ আমেৰিকান সংস্কৃতি, ভাৰতীয় সংস্কৃতি ইত্যাদি অভিধাবোৰেও ভিন্ন ধৰণৰ সাংস্কৃতিক পৰিচয় দাঙি ধৰে।

উপৰিউক্ত আলোচনাৰ পৰা দেখা গ'ল যে একোটা সংস্কৃতিৰ বুকুত আন একাধিক সাংস্কৃতিক পৰিচয়সূচক গোট সোমাই থাকিব পাৰে। মুঠৰ ওপৰত বস্তুগত আৰু মনোগত উভয় দিশৰপৰা সমাজতত্ত্ববিদ আৰু নৃতত্ত্ববিদসকলে সংস্কৃতিৰ ব্যাখ্যা আৰু বিশ্লেষণ কৰিছে। সংস্কৃতিৰ ধাৰণা একান্তভাৱেই সমাজ আৰু সভ্যতাই বিৱৰ্তনৰ ইতিহাসৰ লগত জড়িত। এই কথা পূৰ্বৰ আলোচনাত আপুনি পাই আহিছে। সমাজ বিৱৰ্তনৰ ধাৰাতে আমি প্ৰস্তৰ যুগৰ সংস্কৃতি, লৌহযুগৰ সংস্কৃতি, আদিম সংস্কৃতি (Primitive Culture) আদি পাইছোঁ। একেদৰে সামন্ততান্ত্ৰিক সমাজৰপৰা পুঁজিবাদৰ বিকাশ অনুসৰিও সংস্কৃতিৰ ৰূপান্তৰ প্ৰত্যক্ষ কৰিছোঁ। আকৌ, লোকসংস্কৃতি, অভিজাত সংস্কৃতি, জনজাতীয় সংস্কৃতি আদি অভিধাবোৰেও সমাজ-বিন্যাস আৰু বিৱৰ্তনৰ লগত সম্পৰ্ক সূচিত কৰে।

তুষাৰ চট্টোপাধ্যায়ে সমাজ বিৱৰ্তনৰ ধাৰাত জীৱিকা, জীৱন-যাপন পদ্ধতি, আৰ্থিক বিন্যাস, উৎপাদন প্ৰথা, শ্ৰমবৃত্তি বিভাগ, সমাজ-সভ্যতাৰ স্তৰ ইত্যাদি অনুসৰি সংস্কৃতিৰ ৰূপগত বিভাজন এনেদৰে দাঙি ধৰিছে।




ওপৰৰ তালিকাখনৰপৰা সংস্কৃতিৰ ৰূপ বৈচিত্ৰ্য বুজিব পৰা যায় যে দেশে দেশে, গোষ্ঠী অনুসৰি, সংস্কৃতিৰ ৰূপ ভিন্ন হয়; যেনে— ভাৰতীয় সংস্কৃতি, পাশ্চাত্য সংস্কৃতি। বঙালী, অসমীয়া, বড়ো— প্ৰতিটো জনগোটৰ নামেৰেও সংস্কৃতিৰ ভিন্ন ৰূপ পাওঁ। এই ভিন্নতাৰ মাজতো সেই ৰূপবোৰৰ মাজত পাৰস্পৰিক সম্পৰ্ক আছে। কাৰণ, আটাইবোৰেই মানৱ সংস্কৃতি। সকলো মানুহ, সকলো জনগোটেই সংস্কৃতিৰ সৃষ্টি।

সেইফালৰ পৰা সংস্কৃতি বিশ্বজনীন। আনহাতে, ওপৰত কোৱাৰ দৰে ৰূপবোৰৰ ভিন্নতা— এই ঐক্য আৰু ভিন্নতাই সংস্কৃতিৰ স্বৰূপ বৈশিষ্ট্য।

পণ্ডিতসকলে নিজৰ বিদ্যায়তনিক প্ৰয়োজন অনুসৰিয়েই সংস্কৃতিত এনে বিচিত্ৰ ৰূপবোৰৰ আলোচনা কৰে। এনে ৰূপবিভাজন মূলতঃ দৃষ্টিকোণগত।

দেখা গ'ল, সংস্কৃতিক এক ধৰণে মানৱ প্ৰজাতিৰ বৈশিষ্ট্য প্ৰদানকাৰী কাৰকৰূপে গণ্য কৰিব পাৰি। ওপৰত আলোচনা কৰি অহাৰ দৰে Man made part of environment প্ৰকৃতিৰ মাজতেই মানুহৰ জন্ম যদিও নিজৰ প্ৰয়োজনত মানুহে সুবিধাজনক আহিলা প্ৰস্তুত কৰি ল'ব পাৰে বা লয়। কেৱল আহিলাই নহয়, এক ধৰণৰ ব্যৱস্থা একোটা নিৰ্মাণ কৰি লয়।

অন্যহাতে, সংস্কৃতিৰ অন্য এক মাত্ৰা হ'ল— Refinement — পৰিশোধন বা পৰিমাৰ্জন। পূৰ্বতে ৰবীন্দ্ৰনাথৰ প্ৰসঙ্গৰে কথাষাৰ আলোচনা কৰি অহা হৈছে। এই মাত্ৰাটোৰ লগত ৰুচি, আচৰণ আৰু সৌন্দৰ্যবোধৰ সম্পৰ্ক আছে। আমি যেতিয়া সংস্কৃতিবান বুলি কওঁ, আমাৰ মনলৈ আহে ৰুচিবান, সু-আচৰণসম্পন্ন আৰু সৌন্দৰ্যবোধ সম্পন্ন একোজন মানুহৰ কথা। এনে দিশৰপৰাই সংস্কৃতিক বহুতে উচ্চ-নীচ, আদিম-অভিজাত আদি ভাগ কৰে।

সংস্কৃতিত যি সুকুমাৰত্ব বিচৰা হয় তাত বস্তুগত সম্পদতকৈ মনোগত সম্পদত বেছি গুৰুত্ব দিয়া হয়। মন কৰিব, আগতেও উনুকিয়াই অহা হৈছে যে সুকুমাৰ কলাৰ নান্দনিক উৎকৰ্ষই সংস্কৃতিৰ সামগ্ৰিক শ্ৰেষ্ঠত্ব প্ৰতিপন্ন নকৰে। জ্যোতিপ্ৰসাদেও ইয়াক সংস্কৃতিৰ বাহিৰ ভাগৰ শ্ৰেষ্ঠ সম্পদহে বুলিছে।

'সমাজ আৰু সংস্কৃতি' প্ৰসঙ্গত আপুনি পাই আহিছে যে প্ৰতিখন সমাজেই নিৰ্দিষ্ট ঐতিহাসিক ধাৰাত নিজস্ব উৎপাদন পদ্ধতি, ভিত্তি আৰু উপৰিসৌধৰ সামগ্ৰিকভাৱে বিশিষ্ট ৰূপত প্ৰতিভাত হয়। এনে সামাজিক বাতাবৰণৰ মাজতে ঐতিহাসিক বস্তুগত ধাৰাত সামাজিক জীৱ হিচাপে, মানুহৰ জীয়াই থকাৰ সাধনাতে সংস্কৃতিৰ বিশিষ্ট ৰূপ গঢ় লৈ উঠে। সমাজ একোখনৰ জটিলতা বা বৈচিত্ৰ্য অনুসৰি সংস্কৃতিৰ নিজস্ব ৰূপ ঠন ধৰি উঠে। উদাহৰণ স্বৰূপে, পাশ্চাত্য সমাজ বস্তু সংস্কৃতিৰ দিশত এছিয়া বা আফ্ৰিকাৰ অনুন্নত ৰাষ্ট্ৰৰ সমাজতকৈ আগবঢ়া। আনহাতে, পাশ্চাত্য দৰ্শনৰ ঐহিকতাৰ বিপৰীতে ভাৰতীয় দৰ্শনৰ আধাৰ পাৰত্ৰিক বা আধ্যাত্মিক। প্ৰথমটো উদাহৰণৰ আধাৰ বস্তুগত, দ্বিতীয়টোৰ আধাৰ মনোগত। বস্তু সংস্কৃতিৰ ক্ষেত্ৰত আগবঢ়া-পাছপৰা, দৰ্শনৰ ক্ষেত্ৰত ভাববাদী-বস্তুবাদী— এনে পাৰ্থক্য অনুসৰি ব্যৱহাৰিক ক্ষেত্ৰত সংস্কৃতিৰ ভিন্নতাই দেখা দিয়ে। একোটা জনগোটৰ আধ্যাত্মিক ভাবাদৰ্শই তাৰ ব্যৱহাৰিক জীৱনক প্ৰভাৱিত কৰে। সেইবাবে সমাজ পাৰিপাৰ্শ্বিকতাৰ পটভূমিতহে সংস্কৃতিৰ স্বৰূপ বুজিব পাৰি।

## ১.৬.২ সংস্কৃতিৰ উপাদান

কোনো এটা সম্প্রদায়ৰ সংস্কৃতিক বহলভাৱে দুটা ভাগত ভগাব পাৰি। অর্থাৎ সম্প্রদায়টোৰ সাংস্কৃতিক উপাদানবোৰ দুটা ভাগত আলোচনা কৰিব পাৰি। (ক) বস্তু-সংস্কৃতি, (খ) সামাজিক-সংস্কৃতি।

দৈনন্দিন জীৱনৰ নানা প্রয়োজন পূৰণ কৰিবৰ বাবে সাজি লোৱা সঁজুলি, অস্ত্র-শস্ত্র, সাজপাৰ, আ-অলঙ্কাৰ, আবাস, বাহন, পাত্র ইত্যাদিবোৰক বস্তু-সংস্কৃতি (Material Culture) আখ্যা দিব পাৰি। এইবোৰ নির্মাণ কৰোঁতে মানুহে নানা কাৰিকৰী কৌশল ব্যৱহাৰ কৰে। কুমাৰে মাটিৰ পাত্র নির্মাণ কৰোঁতে, বাঁহ-খেৰেৰে ঘৰ সাজোতে ব্যৱহাৰ কৰা কাৰিকৰী কৌশলবোৰ মন কৰক। কাঠ-বাঁহ পর্যাপ্ত পৰিমাণে পোৱা ঠাইত সেইবোৰ ফালি খৰিৰূপে ব্যৱহাৰ কৰা হয়। আনহাতে কাঠ-বাঁহ পর্যাপ্ত পৰিমাণে নোপোৱা কোনো সম্প্রদায়ৰ মাজত দীঘলীয়া গছৰ ডাল বা বাঁহৰ কামিত গোবৰ লেপি খৰি প্রস্তুত কৰা হয়। দুয়ো ক্ষেত্রতে দুটা সুকীয়া কৌশলৰ ব্যৱহাৰ লক্ষণীয়। প্রত্যেক সংস্কৃতিতে কিছুমান প্রচলিত কাৰিকৰী পদ্ধতি আছে। কাৰিকৰী পদ্ধতিৰ অধ্যয়নক শিল্পতত্ত্ব বা কাৰিকৰী বিদ্যা বোলা হয়। একোটা সম্প্রদায়ৰ সংস্কৃতিৰ বিকাশ, পৰিসৰ আৰু মান বুজিবলৈ এই বস্তু-সংস্কৃতি আৰু কাৰিকৰী বিদ্যাৰ অধ্যয়ন আৰু সমীক্ষা নিতান্তই প্রয়োজনীয়।

সামাজিক-সংস্কৃতি (Social Culture)ক কোনোৱে Mental Culture বা মানসিক সংস্কৃতি বা Non Material (অবস্তুগত) সংস্কৃতিও বুলিছে। প্রতিটো সম্প্রদায়ৰ মাজত কিছুমান প্রণালীবদ্ধ জ্ঞান, শিক্ষাবিধি, সুপ্রতিষ্ঠিত বিশ্বাস আৰু সামাজিক মূল্যবোধ থাকে। মানুহ হিচাপে জীয়াই থাকিবলৈ এইবোৰৰ প্রয়োজনো কোনো গুণে কম নহয়। সমাজৰ পৰিপ্রেক্ষিতত মানুহৰ যি পৰিচয় গঢ় লয়, সেই পৰিচয়ৰ মাজতে উল্লিখিত এই উপাদানবোৰৰ গুৰুত্ব বুজিব পাৰি। প্রাকৃতিক জগতৰ বিষয়ে জ্ঞান বা ধাৰণা, ৰাজনৈতিক আৰু অর্থনৈতিক সংগঠন, নৈতিকতাবোধ, আইন-কানুন, সামাজিক আচৰণবিধি, ধর্মীয় বিশ্বাস পদ্ধতি আদিও সামাজিক-সংস্কৃতিৰ ভিতৰুৱা।

গোপাল হালদাৰে সংস্কৃতিৰ মুঠ তিনিটা অৱলম্বনৰ কথা কৈছে। প্রথম, জীৱন সংগ্রামৰ বাস্তৱ উপকৰণসমূহ (Material means); দ্বিতীয়, সমাজ যাত্রাৰ বাস্তৱ ব্যৱস্থা (Social Structure), যেনে— উপাধি, বংশ-খেল-জ্ঞাতি ব্যৱস্থা, জাত-পাত, সামাজিক অনুশাসন, ধর্মীয় বান্ধোন আৰু ধর্মৰ আধাৰত গঠিত অন্যান্য ৰীতি-নীতি, আচাৰ-বিচাৰ, বিশ্বাস ইত্যাদি; তৃতীয়, সমাজৰ উপৰিসৌধ বা মানস সম্পদ (Super Structure)। তৃতীয় ভাগে শিল্প-কলা-সাহিত্য, বৌদ্ধিক চিন্তা-চর্চা ইত্যাদি বিষয়বোৰ সামৰি লয়।

Kroeber-এ সংস্কৃতিৰ উপাদান প্রধানত তিনিটা বুলি দেখুৱাইছে। সেইকেইটা হ'ল— (১) Basic Culture, (২) Social Culture আৰু (৩) Value Culture। তদুপৰি তেওঁ আন কেইটামান উপাদান এনেদৰে দেখুৱাইছে— (ক) ভাষা, (খ) নৈতিকতা আৰু অনুশাসন, (গ) ফেশ্বন।

Clark Wisslerএ সংস্কৃতিৰ উপাদান এনেদৰে চিহ্নিত কৰিছে— (১) ভাষা, (২) আহাৰ-বাসস্থান-সাজসজ্জা-উদ্যোগ-বৃত্তি, (৩) কলা, (৪) পৰম্পৰাগত আৰু বিজ্ঞানসম্মত জ্ঞান, (৫) ধৰ্মবিশ্বাস আৰু আচাৰ, অন্ধবিশ্বাস, (৬) পৰিয়াল, সামাজিক অনুশাসন, খেল-ধেমালি আৰু অন্যান্য সামাজিক অনুষ্ঠান, (৭) মূল্যবোধৰ বেপাৰ-বাণিজ্য, (৮) প্রশাসন আৰু আইন, (৯) যুদ্ধ।

সংস্কৃতিৰ বিভিন্ন উপাদানবোৰ কোনো এক সম্প্রদায়ৰ জীৱন ধাৰাত গাইগুটীয়াভাৱে নৰজে। এইবোৰৰ মাজত এটা অর্থপূর্ণ সংহতি বা সমন্বয় আছে। সেইবাবে বস্তু সংস্কৃতি সামাজিক সংস্কৃতিৰ বিবিধ দিশবোৰৰ এটাক এৰি আনটো বুজিব নোৱাৰি। এই সম্পর্কত নৃতত্ত্ববিদ অন্নদাচৰণ ভাগৱতীয়ে এটা উদাহৰণ দিছে— আহাৰ যোগানৰ অর্থে মানুহে পশুপালন বা কৃষিকার্যত লিপ্ত হয়। এইবোৰ বস্তু সংস্কৃতিমূলক কার্য। কিন্তু বস্তু-সংস্কৃতিৰ এই দিশবোৰৰ লগত সম্প্রদায় এটাৰ ভূমিস্বত্ত্ব প্রথা, শ্রমমূলক শ্রেণীবিভাগ, পৰিয়াল ব্যৱস্থা, ধর্মীয় বিশ্বাস আৰু ক্রিয়াকলাপ আদি সামাজিক আৰু অনুভূতিমূলক সংস্কৃতিৰ দিশবিলাক ওতঃপ্রোতভাৱে জড়িত।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ২ ঃ** 'সংস্কৃতি সামাজিক অনুশীলনৰ দল'— কথাষাৰ ব্যাখ্যা কৰক। (৩০০টা শব্দৰ ভিতৰত লিখক)

## ১.৬.৩ সংস্কৃতিৰ বৈশিষ্ট্য

আগতেই আলোচনা কৰি অহা বিভিন্ন অনুচ্ছেদৰপৰা এটা কথা স্পষ্ট যে সংস্কৃতি একোটা জনগোটৰ সামগ্রিক জীৱনপ্রৱাহ। সমাজবদ্ধ জনগোটৰ উমৈহতীয়া নির্মাণ— সংস্কৃতি। সংস্কৃতি যি দৰে উত্তৰাধিকাৰ সূত্রে প্রবাহিত আৰু এটা প্রজন্মৰপৰা আন এটা প্রজন্মই আহৰণ কৰে,একেদৰে কালগত চেতনা আৰু পাৰিপার্শ্বিকতা-অভিজ্ঞতাৰ আধাৰত ইয়াৰ পৰিৱর্তন হয়। সংস্কৃতি সমাজ সাপেক্ষ; একেদৰে পৰিৱেশ (আবাসভূমি) সাপেক্ষ। সমাজ বিৱর্তন, পাৰিপার্শ্বিকতা, ভৌগোলিক অৱস্থান, বৃত্তি, জীৱন-জীৱিকা, জাতিগত ধাৰণা আদি বিভিন্ন দৃষ্টিকোণৰ পৰা সংস্কৃতিবো ভিন্ন ৰূপ দেখা যায় যদিও সংস্কৃতিৰ এক সার্বজনীন মানৱিক ৰূপ পৰিলক্ষিত হয়। মানুহ সংস্কৃতিৰ সৃষ্টি; আকৌ মানুহে নির্মাণ কৰে সংস্কৃতিৰ বিশিষ্ট ৰূপ; মানুহেই সংৰক্ষণ কৰে সংস্কৃতি— প্রজন্মৰপৰা প্রজন্মলৈ।

সংস্কৃতিৰ সাধাৰণ বৈশিষ্ট্যসমূহ এনেদৰে দেখুৱাব পাৰি—

১) সংস্কৃতি আহৰণযোগ্য

২) মানৱ সমাজতহে সংস্কৃতিৰ অৱস্থিতি

৩) সংস্কৃতি প্রৱাহমান

৪) সংস্কৃতি ব্যক্তিগত নহয়, বৰং সমাজসাপেক্ষ

৫) সংস্কৃতিয়ে ব্যক্তি জনগোটৰ নির্দিষ্ট প্রয়োজনক পূর্ণতা দিয়ে

৬) সংস্কৃতি এক ধৰণৰ সামাজিক উত্তৰাধিকাৰ

৭) সংস্কৃতি এটি পৰম্পৰা

৮) সংস্কৃতি হ'ল পৰিৱেশৰ লগত সহাৱস্থান

৯) সংস্কৃতি এক প্রকাৰৰ মানসিক কচৰৎ— সমাজ আৰু পৰিৱেশৰ লগত কালগত চেতনাৰে জনগোটৰ বুজাপৰা।

এই বৈশিষ্ট্যসমূহক প্রধানত তিনিটা থূলত ভাগ কৰি আলোচনা কৰিব পাৰি—

১) সংস্কৃতি মানৱসৃষ্ট। মানৱসৃষ্ট মানে ব্যক্তিবিশেষৰ নহয়, সমষ্টিৰ। কিন্তু সমাজৰ ৰূপভেদে জনগোটৰ স্বৰূপ বৈশিষ্ট্য ভেদে সংস্কৃতিৰ ৰূপ বেলেগ হ'ব পাৰে। কথাযাৰ এনেদৰে চাব পাৰি— খাদ্য, বাসস্থান, আভৰণ যিদৰে পৃথিৱীৰ যিকোনো ঠাইৰ, যিকোনো পৰিৱেশৰ মানুহৰ নিত্য অপৰিহার্য বিষয়, একেদৰে যৌনক্ষুধা, সৌন্দর্য-প্রয়াসী মন, আৰামপ্রিয়তা আৰু যিমান পাৰি সিমান সহজ জীৱন-যাপনৰ হেঁপাহ মানুহ মাত্রেই স্বাভাৱিক বৈশিষ্ট্য। একেদৰে আপোনজনৰ বিচ্ছেদৰ দুখ, সেই দুখৰ বিননি (যি কেতিয়াবা গান হৈ নিগৰে) অনাকাঙ্খিত প্রাপ্তিৰ আনন্দ, সৃষ্টিশীলতাৰ অনির্বচনীয় আনন্দ ইত্যাদি সকলো মানুহৰ ক্ষেত্রতে একে। আনহাতে, সামান্য এটা অংশ সম্মত নহ'লেও পৃথিৱীৰ সকলো মানুহেই জীৱনৰ কোনো মুহূর্তত অশৰীৰী অথবা অতীন্দ্রিয় কোনো অলৌকিক শক্তিৰ প্রতি বিশ্বাসী হয়; বিশ্বাসী নহ'লেও ভাবাদর্শভাৱে, অন্ততঃ বৌদ্ধিক চর্চাত বিষয়টোৰ মানৱিক প্রয়োজনীয়তা স্বীকাৰ কৰে। অর্থাৎ সকলো মানুহেই বিভিন্ন স্তৰত ধর্মীয় চেতনা ধাৰণ কৰে। ভাষাৰ বিচিত্র প্রকাশভঙ্গীৰ লগত, শব্দনির্মিত সাহিত্যপাঠৰ সমৃদ্ধ ৰীতিয়ে ব্যক্তিৰ উপৰি পৃথিৱীৰ সকলো জনগোটক গৌৰৱান্বিত কৰে; জাতিগত সাহচর্যৰ চেতনাত সকলোৱেই উল্লাসিত হয়। স্বৰূপার্থত এই আটাইবোৰ কথাই সংস্কৃতি। তাৰ মানে সংস্কৃতিৰ একোটা বিশ্বজনীন অৱয়ব আছে।

কিন্তু এই সার্বজনীন ৰূপবো খণ্ডিত ৰূপ আছে। পূর্বতে এই কথা দেখুৱাই অহা হৈছে। আফ্রিকাৰ এজন কৃষ্ণকায় লোকৰ মানৱিক চেতনা ইংলেণ্ডৰ এক শ্বেতকায় ব্যক্তিৰ সৈতে একে হ'লেও বস্তুগত বিকাশৰ পার্থক্য, ভৌগোলিক অৱস্থান আৰু সমাজ বিৱর্তনৰ ধাৰাৰ ভিন্নতাৰ বাবে দুয়োজন দুটা সুকীয়া সাংস্কৃতিক পৰম্পৰাৰ উত্তৰাধিকাৰী।

২) সংস্কৃতি স্থিতিস্থাপক। ই একে সময়তে পৰম্পৰা তথা পূর্বজ প্রজন্মৰ উত্তৰাধিকাৰ অথচ পৰিৱর্তনীয়। এক অবিচ্ছিন্ন গতিত প্রৱাহমান সত্ত্বেও কালগত ৰূপান্তৰৰ চিৰন্তৰ প্রক্রিয়াৰে পৰিৱর্তনশীল।

সংস্কৃতি সমাজসাপেক্ষ। সমাজ পৰিৱৰ্তনশীল। গতিকে সংস্কৃতি পৰিৱৰ্তনশীল। সমাজত মূলত তিনি শ্ৰেণীৰ মানুহ থাকে— (১) প্ৰগতিশীল, (২) ৰক্ষণশীল, (৩) উদাসীন, নিৰ্বিকাৰ, এইক্ষেত্ৰত তৃতীয় শ্ৰেণী ধৰ্তব্যৰ ভিতৰত নপৰে। আনহাতে, ৰক্ষণশীলসকলৰ পৰম্পৰা-ঐতিহ্যৰ প্ৰতি দৃঢ় আৰু প্ৰগতিশীলসকলৰ পৰিৱৰ্তনকামী চেতনাৰ দ্বন্দ্বত সংস্কৃতিয়ে যিদৰে ঐতিহ্য পৰম্পৰাৰ সংৰক্ষণ কৰে, একেদৰে নতুন উপাদানো নিজৰ মাজত সংশ্লেষণ কৰি লয়।

৩) সংস্কৃতি এক স্বতঃস্ফূৰ্ত প্ৰৱাহ। অথচ ই আমাৰ নিত্য প্ৰাত্যাহিকতাঙ্গ মানুহে যিদৰে ভাষা আয়ত্ত কৰে, একে স্বাভাৱিকতাৰে সংস্কৃতি আহৰণ কৰে। কোনো মানুহে শৈশৱৰ পৰা প্ৰাপ্তবয়স্ক হোৱালৈকে মাতৃভাষা শিক্ষণক যিদৰে কোনো মনোযোগ দিবলগীয়া সাধনালব্ধ বোধ বুলি অনুভৱ নকৰে, একেদৰে সমাজ সাপেক্ষে জীৱনপ্ৰবাহৰ নানা স্তৰ বিন্যাসবোৰো আয়ত্ত কৰোঁতে কোনো জটিল অভিজ্ঞতা যেন অনুভৱ নকৰে। মানুহ জন্মতে বিশুদ্ধ মানুহ হৈ জন্মে। ক্ৰমান্বয়ে সেই ব্যক্তিসত্তাই নিজৰ অজানিতেই একোজন হিন্দু অথবা মুছলমান, একোজন ভাৰতীয় অথবা আমেৰিকান, একোজন জনজাতি তথা ব্ৰাহ্মণ হৈ পৰে। মনস্তাত্ত্বিক পৰ্যায়ত ধীৰে ধীৰে এনে একোটা পৰিচয় লাভ কৰে সামাজিকীকৰণৰ মাজেদি।

উপৰিউক্ত তিনিটা থূলৰ মাজতে সংস্কৃতিৰ মূল বৈশিষ্ট্যসমূহৰ প্ৰকাশ ঘটিছে। কিন্তু বিদ্যায়তনিক ক্ষেত্ৰত সংস্কৃতি বিষয়টো সমাজতন্ত্ৰ, নৃতত্ত্ব, লোকসংস্কৃতিবিদ্য, ইতিহাস ইত্যাদি নানা দিশত এনেদৰে বিস্তাৰিত যে দৃষ্টিকোণৰ বৈশিষ্ট্যই সংস্কৃতিৰ নানা নতুন দিশ মুকলি কৰি আছে।

উপৰিউক্ত বৈশিষ্ট্যসমূহত এটা কথা পোনপটীয়াকৈ উল্লেখ নকৰিলেও স্পষ্ট যে সংস্কৃতি একে সময়তে স্থিতিশীল আৰু পৰিবৰ্তনশীল। কথাটোৰ অলপ ব্যাখ্যা নিশ্চয় প্ৰয়োজন। প্ৰথমে মন কৰক, একোটা সম্প্ৰদায়ৰ সংস্কৃতিৰ মৌলিক বৈশিষ্ট্য তথা উপাদান সমূহ যুগ যুগ ধৰি ধাৰাবাহিকভাৱে বৰ্তি থাকে। জন্মৰেপৰা শিশুৱে পৰিয়ালৰ পৰা, সমাজৰপৰা নিজৰ ইন্দ্ৰিয়জ অভিজ্ঞতাৰে সমাজখনৰ জীৱনপ্ৰৱাহক আয়ত্ত কৰে আৰু বয়সৰ লগে লগে সেইমতেই আচৰণ কৰিবলৈ লয়। অৰ্থাৎ শিশুৰ সংস্কৃতিকৰণৰ যোগেদি একোটা সাংস্কৃতিক প্ৰবাহ যুগ যুগ ধৰি জীয়াই থাকে।

আনহাতে, সময়ৰ পৰিৱৰ্তন, প্ৰয়োজন আৰু পৰিস্থিতিৰ দাবীত সংস্কৃতি এটাৰ মাজত নতুন উপাদান সংযোগ হয়, বা পুৰণা উপাদান বা ৰূপৰ পৰিৱৰ্তন হয়। ঊনবিংশ শতিকাৰ অসমীয়া সমাজ জীৱনৰ সাংস্কৃতিক ৰূপৰ লগত আজিৰ একবিংশ শতিকাৰ অসমীয়া সমাজখনৰ তুলনা কৰিলেই এই কথা স্পষ্ট হ'ব। কেতিয়াবা নিকট সান্নিধ্যত থকা তুলনামূলকভাৱে আগবঢ়া সংস্কৃতিৰ দ্বাৰা প্ৰভাৱিত হৈ একোটা সম্প্ৰদায়-জাতিৰ সংস্কৃতিৰ বুকুত নতুন উপাদানৰ সংযোগ ঘটে। ঊনবিংশ শতিকাৰ অসমীয়া সমাজত বংগীয় প্ৰভাৱ ইমান গভীৰ আছিল যে স্বয়ং হেমচন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে

অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰাণ দিওঁতা যুগন্ধৰ পুৰুষে সেই কথা অকাতৰে স্বীকাৰ কৰি গৈছে। এনে প্ৰভাৱে সামায়িকভাৱে সংঘাতৰো সূচনা কৰে। কিন্তু 'ঐতিহাসিক পটভূমিত চালে দেখা যায় যে কালক্ৰমত সংস্কৃতি-সংঘাতৰ চিনবোৰ বিলীন হৈ গৈছে আৰু বাহিৰৰপৰা অহা প্ৰভাৱ আৰু উপাদানবোৰে নতুন ৰূপ আৰু অৰ্থ লৈ সাম্প্ৰদায়িক জীৱনধাৰাৰ অঙ্গ হৈ পৰিছে।'

## ১.৬.৪ সংস্কৃতিৰ ভাগ

সংস্কৃতিৰ ভাগসমূহ বুজিবলৈ হ'লে তলৰ তালিকাখন মনোযোগেৰে মন কৰক—

| সমাজবিকাশৰ ধাৰা | সংস্কৃতিৰ অভিব্যক্তি | সংস্কৃতিৰ ৰূপ |
|---|---|---|
| সমষ্টিবদ্ধ আদিম সমাজ | অবিভক্ত সাংস্কৃতিক অভিব্যক্তি | সংস্কৃতিৰ অভিন্ন ৰূপ— আদিম সংস্কৃতি |
| শ্ৰেণীবিভক্ত পৰিৱৰ্তিত সমাজ | বিভক্ত সাংস্কৃতিক অভিব্যক্তি | ➢ উচ্চ সংস্কৃতি<br>➢ লোক সংস্কৃতি<br>➢ আদিম সংস্কৃতি |
| শ্ৰেণী বিমুক্ত বিশ্বসমাজ | সমন্বিত সাংস্কৃতিক অভিব্যক্তি | সংস্কৃতিৰ সমীভূত ৰূপ— বিশ্বমানৱিক সংস্কৃতি |

তালিকাখনৰ পৰা নিশ্চয় বুজিব পাৰিছে গোষ্ঠীগত বান্ধোনেৰে গোট গোট হৈ থকা আদিম জনসমষ্টি কালক্ৰমত শ্ৰেণীবিভক্ত সমাজলৈ ৰূপান্তৰ হ'ল। লগে লগে সাংস্কৃতিক অভিব্যক্তিও সলনি হ'ল। আদিম সমাজ অবিভক্ত। গোষ্ঠী অনুসাৰে পৃথক ৰূপত থাকিলে শ্ৰেণীগত বৈশিষ্ট্যৰে পৃথক নহয়। এনে অবিভক্ত আদিম সমাজৰ সংস্কৃতিৰ ৰূপো একেটায়। সময়ৰ লগে লগে যেতিয়া বৰ্ণ বৃত্তি বা শ্ৰেণীগত বিভাজন স্পষ্ট হ'ল, তেতিয়াৰ পৰাই সংস্কৃতি দুটা ভিন্ন ধাৰাত বিভক্ত হৈ পৰিল। শ্ৰেণীবিভক্ত সমাজ নানা দ্বন্দ্ব-সমন্বয়ৰ মাজেৰে অগ্ৰসৰ হৈ আহিছে। ফলত এফালে উন্নত কাৰিকৰী কলা-কৌশল, যুক্তিনিৰ্ভৰ পৰিশীলিত জীৱন-যাপন আৰু ব্যক্তিস্বাতন্ত্ৰ্যৰ আধাৰত গঢ়ি উঠা উচ্চতৰ সাংস্কৃতিক অভিব্যক্তি; আনহাতে, সংহত লৌকিক জীৱন প্ৰবাহত সমষ্টিগত আবেগ-অনুভূতিৰ পটভূমিত সৃষ্টি হ'ল অন্য ৰূপৰ সাংস্কৃতিক অভিব্যক্তি। অৰ্থাৎ এফালে উচ্চ বা অভিজাত সংস্কৃতি, আনফালে লোক-সংস্কৃতি।

আনহাতে, এই দুই সাংস্কৃতিক অভিব্যক্তিৰ মাজতে বস্তু সংস্কৃতিৰ ফালৰপৰা পাছপৰি ৰোৱা, আদিম গোষ্ঠীবদ্ধ সমাজৰ অৱশিষ্ট স্বৰূপ উপাদান বহলফালে সংৰক্ষণ কৰা জনগোটৰ অৱস্থিতি থাকি গ'ল। এনে জনগোটক নৃতত্ত্বৰ ভাষাত কোৱা হ'ল জনজাতি। এওঁলোকৰ সংস্কৃতিক অভিব্যক্তিকে জনজাতীয় সংস্কৃতি বুলিব পাৰি। ওপৰৰ তালিকাত তাকে আদিম সংস্কৃতিৰে সূচিত কৰা হৈছে।



মন কৰিব, কোনো মানুহেই পৃথিৱীত হিন্দু হৈ, মুছলমান হৈ, খ্ৰীষ্টান হৈ নজন্মে। জন্মতে সকলো মানৱ শিশুৱেই বিশুদ্ধ মানুহ হৈ জন্মে। সি অসমীয়া, বঙালী, বিহাৰী ইত্যাদি পৰিচয়ৰ কোনো আওভাও নাপায়। বয়সৰ লগে লগে সি লালিত-পালিত হোৱা পৰিয়াল বা সমাজখনৰ জীৱনপ্ৰবাহ আহৰণ কৰি সেই পৰিয়াল বা সমাজৰ সদস্য হৈ পৰে মানসিকভাৱে। নৈষ্ঠিক হিন্দু পৰিয়ালত জনম হোৱা শিশু এটা যদি সৰুৰেপৰা মুছলমান পৰিয়ালত ডাঙৰ-দীঘল হোৱাৰ পৰিস্থিতিৰ সৃষ্টি হয়, তেন্তে ডাঙৰ হৈ মুছলমান সমাজৰ সংস্কৃতিয়েই তাৰ আচৰণত ধৰা পৰিব। ইয়াৰ পোনপটীয়া অৰ্থ হ'ল সংস্কৃতি সমাজ সাপেক্ষ, ব্যক্তি সাপেক্ষ নহয়। সংস্কৃতি সামাজিক প্ৰাণী হিচাপে মানুহে আহৰণ কৰে।

কথাখিনি এনেদৰে ক'ব পাৰি, লোকায়ত সংহত সমাজৰ পটভূমিত সমষ্টিবদ্ধ মানুহৰ জীৱন প্ৰয়াসৰ মাজতে স্বতঃস্ফূৰ্তভাৱে উদ্ভাসিত সাংস্কৃতিক অভিব্যক্তিক লোক-সংস্কৃতি বুলিলে আত্মস্বাতন্ত্ৰ্যৰ প্ৰাধান্য থকা সমাজৰ উচ্চস্তৰৰ সমষ্টিচেতনাৰ দায়বদ্ধহীন ব্যক্তিপ্ৰতিভা-প্ৰকাশিত অভিব্যক্তিকেই উচ্চ সংস্কৃতি বা অভিজাত সংস্কৃতি বুলিব পাৰি। ব্যক্তিচৈতন্য সমৃদ্ধ শিষ্টজনৰ সম্যক কৃতিয়েই হৈছে উচ্চ সংস্কৃতি আৰু সমষ্টিগতভাৱে সমাজৰ বা গোষ্ঠীৰ সামগ্ৰিক জীৱনাশ্ৰয়ী কৃতিয়েই হৈছে লোকসংস্কৃতি। উচ্চ সংস্কৃতি নিত্য পৰিৱৰ্তনশীল, কিন্তু লোকসংস্কৃতিৰ পৰিৱৰ্তন মন্থৰ। জনজাতীয় সংস্কৃতিৰ পৰিৱৰ্তন তাতোকৈ মন্থৰ। মূলত ঐতিহ্য আশ্ৰয়ী ধাৰাত লোকসমাজ-জীৱনকে অৱলম্বন কৰিয়েই লোকসংস্কৃতি বিকশিত হয়। ঐতিহ্যানুসৰণেই লোকসংস্কৃতিৰ মূল বৈশিষ্ট্য আৰু প্ৰথাবদ্ধ ৰক্ষণশীলতাৰ ভিত্তিতেই মূলতঃ লোকসংস্কৃতি বিকাশ।

উপৰিউক্ত আলোচনাৰপৰা আমি সংস্কৃতিৰ তিনিটা স্পষ্ট ভাগ পালোঁ— (ক) আদিম / জনজাতীয় সংস্কৃতি, (খ) লোক সংস্কৃতি, (গ) উচ্চ বা অভিজাত সংস্কৃতি।

সমাজ বিকাশৰ গতিশীলতা আৰু পৰম্পৰাজাত ঐতিহ্যৰ দ্বান্দ্বিক প্ৰক্ৰিয়াত লোক-সংস্কৃতিৰ প্ৰবাহত পৰস্পৰবিৰোধী সাংস্কৃতিক উপাদানসমূহ সংগ্ৰথিত হয় আৰু বিৱৰ্তনগত বৈচিত্ৰ্য আৰু বিস্তৃতি লাভ কৰে। সাধাৰণভাৱে উচ্চ-সংস্কৃতি আৰু লোক-সংস্কৃতিৰ মাজৰ প্ৰধান পাৰ্থক্য আভিজাত্যবোধৰ পাৰ্থক্য। উচ্চ সংস্কৃতিৰ মাজত যি মাৰ্জিত মানসিকতা দেখা যায়, লোক-সংস্কৃতিত সি অনুপস্থিত। নিজস্ব বৈশিষ্ট্যসমৃদ্ধ লোকসংস্কৃতিৰ ধাৰাটো উচ্চ-সংস্কৃতিৰ শিষ্ট ধাৰাৰ কাষে কাষে চিৰন্তন প্ৰৱাহিত। এই দুই সংস্কৃতি ৰূপ কেতিয়াবা পৰস্পৰাশ্ৰয়ী, কেতিয়াবা বিচ্ছিন্ন। কেতিয়াবা ভিন্ন, কেতিয়াবা অভিন্ন। লোক-সংস্কৃতিৰ প্ৰাথমিক ভিত্তিৰ ওপৰতে উচ্চ-সংস্কৃতিৰ বিকাশ।

জনজাতীয় সংস্কৃতি সাধাৰণ দৃষ্টিত লোক-সংস্কৃতিৰে প্ৰকাৰ যেন লাগে। কিন্তু যথা অৰ্থত জনজাতীয় সংস্কৃতি সুকীয়া। ই স্বয়ংসম্পূৰ্ণ। লোকসংস্কৃতি আৰু অভিজাত সংস্কৃতিৰ মাজত যি পাৰস্পৰিক সান্নিধ্য পৰিলক্ষিত হয়, জনজাতীয় সংস্কৃতিৰ ক্ষেত্ৰত সেয়া দেখা নাযায়। বৰং অভিজাত সংস্কৃতিৰ ঘনিষ্ঠ সংস্পৰ্শলৈ আহিলে জনজাতীয় সংস্কৃতিৰ স্বকীয়তা বিঘ্নিত হয়; তেতিয়া আৰু সি জনজাতীয় সংস্কৃতি হৈ নাথাকে। পৃথকত্ব (Isolation), আদিম প্ৰকৃতি, সাংস্কৃতিক অভিব্যক্তিৰ লগত জীৱন প্ৰবাহৰ তথা প্ৰবৃত্তিৰ অতি নিবিড় সম্পৰ্ক আদিয়ে জনজাতীয় সংস্কৃতিক স্বকীয়তা দান কৰে। এটা সৰু উদাহৰণ লওক— পৃথিৱীৰ বহু জনজাতিয়ে কৃষিৰ উৎপাদন বৃদ্ধিৰ কামনাৰে কৃষিভূমিত ৰক্ত (বলি) সিঁচে। কিছু জনজাতিৰ মাজত বিশেষ দিনত নৰ-নাৰীৰ মুক্ত সংগমৰ পৰম্পৰা আছে। এইবোৰ তেওঁলোকৰ জীয়াই থকা সংগ্ৰামৰ আন্তৰিক, নিৰ্ভেজাল মানসিক আৰু বস্তুগত সাধনা, কেৱল লোকাচাৰ নহয়। আনহাতে, জনজাতীয় স্তৰৰ পৰা আগবাঢ়ি অহা সমাজতো এই ধৰণৰ কিছু অনুষ্ঠান পৰিশোধিত ৰূপত উৎসৱ বা লোকাচাৰ ৰূপে প্ৰচলিত হৈ থাকে বা আছে। যেনে— ব'হাগৰ বিহু নৃত্য, কাতি বিহুৰ

দিনা পথাৰত চাকি-বস্তি দিয়া, হিন্দু তিৰোতাই কঁপালত সেঁন্দূৰ লোৱা আদি। এইবোৰ আদিম সমাজৰ জীয়াই থকাৰ তাড়নাত কৰা কিছু প্রকার্যৰ অৱশিষ্ট; সময়ৰ সোঁতত তাৰ মূল তাৎপর্য অন্তর্হিত হৈ কেৱল আচাৰ ৰূপে চলি আছে।

পৰৱর্তী অধ্যায়সমূহত লোক-সংস্কৃতি আৰু জনজাতীয় সংস্কৃতিৰ বিষয়ে বিতং আলোচনা পঢ়িবলৈ পাব।

**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৩ ঃ** "সংস্কৃতি এক অর্থত বিশ্বজনীন। আনহাতে ইয়াৰ দেশগত, কালগত, জাতিগত ৰূপভেদবোৰৰ অৱস্থিতি।"— কথাযাৰ উদাহৰণসহ আলোচনা কৰক। (৩০০টা শব্দৰ ভিতৰত লিখক)



## ১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ



অধ্যায়টিৰপৰা আপুনি নিশ্চয় 'সংস্কৃতি'ৰ এটা সম্যক ধাৰণা লাভ কৰিলে। সংস্কৃতিৰ চর্চাৰ ৰূপৰেখাৰ লগতে সংস্কৃতি সম্পর্কীয় বিভিন্ন দৃষ্টিকোণৰ আভাস পালে। স্কৃতিৰ সংজ্ঞাসমূহৰ সংক্ষিপ্ত সৰল আলোচনা অধ্যায়টিত কৰা হৈছে। এই সংজ্ঞাবোৰৰ মাজত সংস্কৃতিৰ পৰিসৰ, ৰূপবিন্যাস, বৈশিষ্ট্য ইত্যাদি বহুদিশ মুকলি হৈছে।

'সংস্কৃতি' শব্দটোৰ বুৎপত্তি, আভিধানিক অর্থ আৰু ইয়াৰ প্রয়োগৰ ইতিহাসো সামান্যভাৱে জানিব পাৰিলে।

'সংস্কৃতি' মানুহ সৃষ্ট; কিন্তু ব্যক্তিবিশেষৰ নহয়। সমাজ অবিহনে 'সংস্কৃতি' আধাৰহীন। সমাজ আৰু সংস্কৃতিৰ পাৰস্পৰিক সম্পর্কৰ বিষয়েও নিশ্চয় ধাৰণা লাভ কৰিলে। একেদৰে সংস্কৃতি পৰিৱেশ সাপেক্ষেও। সমাজ একোখনৰ পাৰিপার্শ্বিক অৱস্থান অনুসৰি সমাজভুক্ত জনগোটৰ সাংস্কৃতিক অভিব্যক্তি পৃথক পৃথক হয়।

সমাজ বিৱর্তনৰ সমান্তৰালভাৱে সংস্কৃতিৰ ৰূপভেদ আৰু জাতিগত, দেশগত, গোষ্ঠীগত, ভাষাগত পৰিচয়েৰে একগোট হোৱা জনসমষ্টিৰ নামেৰেও সংস্কৃতিক স্বৰূপ ভিন্ন হয়। এই ৰূপবোৰৰ সামগ্রিকতাৰ মাজত নিহিত সাধাৰণ বৈশিষ্ট্যসমূহ অধ্যায়টিৰপৰা আপুনি জানিব পাৰিলে।

সংস্কৃতিৰ উপাদান বুলিলে কি বুজিব, এই উপাদানবোৰ কিদৰে চিনাক্ত কৰিব পাৰি— এই দিশতো কিছু কথা অধ্যায়টিত দাঙি ধৰা হৈছে। অৱশেষত সংস্কৃতিৰ প্রধান ভাগ তিনিটাৰ পৰিচয় অধ্যায়টিৰপৰা লাভ কৰিলে।



## ১.৮ অধিক জানিবলৈ

*অসমীয়া গ্ৰন্থ ঃ*

১) দাস, ভুৱনমোহন (২০১৫); *ভুৱনমোহন দাস ৰচনা সমগ্ৰ* (দ্বিতীয় খণ্ড); গুৱাহাটী ঃ কলা।

২) শৰ্মা, নবীনচন্দ্ৰ (২০০৭); *অসমীয়া লোক-সংস্কৃতিৰ আভাস*; গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰা.লি.।

৩) হাকাচাম, উপেন ৰাভা (২০০৪, ২০১০); *অসমৰ জনজাতীয় সংস্কৃতি*; গুৱাহাটী ঃ বাণী মন্দিৰ।

*বাংলা গ্ৰন্থ ঃ*

১) চট্টোপাধ্যায়, তুষার (২০০৪); *লোক সংস্কৃতির তত্ত্বরূপ ও স্বরূপ সন্ধান*; কলিকতা ঃ এ. মুখার্জী অ্যাণ্ড কো. প্রা. লি.।

২) চট্টোপাধ্যায়, সুনীতিকুমার (১৯৭৬); *সংস্কৃতি শিল্প ইতিহাস*; কলিকতা।

৩) হালদার, গোপাল (১৯৭৪); *সংস্কৃতির রূপান্তর*; বাংলাদেশ সংস্করণ, ঢাকা।

*ইংৰাজী গ্ৰন্থ ঃ*

1) Honigmann, John, J. (1967); *Understanding Culture*; Indian Edition.

2) Jha, Makhan (2006); *An Introduction to Social Anthropology*; New Delhi : Vikas Publishing House Pvt. Ltd.

3) Mazumdar, D. N. & Madam, T. N. (1967); *An Introduction to Social Anthropology*; New Delhi : Asia Publishing House.

4) Mair, Lucy (2011); *An Introduction to Social Anthropology*; Oxford University Press.

5) Phukan, Supriti & Phukan, Sarat Kumar (2005); *Oriomastics in Folk Literature of Assam*; Guwahati : Students' Stores.

*বিশ্বকোষ ঃ*

1) *Encyclopaedia of Social Science*, vol. III-IV, (1959), USA.

## ১.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

**১নং প্ৰশ্নৰ উত্তৰ ঃ** 'সংস্কৃতি' শব্দটো সংস্কৃত শব্দ। সংস্কৃত ভাষাৰ √কৃ ধাতুৰ লগত সম্ আৰু ক্তি প্ৰত্যয়ৰ শব্দটো সাধিত হৈছে— সম্ + কৃ + ক্তি = সংস্কৃতি।... ... সংস্কাৰ, সংস্কৃতি আৰু সংস্কৃত শব্দ তিনিটাৰ অৰ্থগত মিল লক্ষণীয়।... ...সাধাৰণ অৰ্থত, গীত-মাত,

নৃত্য, অভিনয়, চিত্রকলা আদি অর্থত সংস্কৃতি শব্দটো ব্যৱহাৰ কৰা হয়।... ...আকৌ, উৎসৱ-পার্বণ, ধর্মীয় আচাৰ আদিকো তাৰ লগতে সামৰি লৈ সংস্কৃতি বুলি ধাৰণা কৰা হয়।... ...কিন্তু, বহল অর্থত সংস্কৃতি মানুহৰ জীৱন প্রবাহ।... ...ই ব্যক্তি নির্ভৰ নহয়, বৰং সমাজ নির্ভৰ...।

**২নং প্রশ্নৰ উত্তৰ ঃ** 'সংস্কৃতি' বুলিলে সাধাৰণতে আমাৰ মনলৈ গীত-নাচ-চিত্র-অভিনয় আদিৰ কথাই মনলৈ আহে যদিও যথার্থতে ইয়াৰ পৰিসৰ ব্যাপক।... ...সামাজিক প্রাণী হিচাপে মানুহৰ জীৱন ধাৰণৰ সামগ্রিক কৃতিয়েই সংস্কৃতি।... ...মানুহৰ মানৱিক পৰিচয় গঢ় লয় সমাজত। জন্মতে এজন মানৱ শিশু অন্য জীৱ-জন্তুৰ দৰেই সাধাৰণ শিশু মাত্র। সমাজৰ মাজত তাৰ জৈৱিক বিকাশৰ সমান্তৰালভাৱে সাংস্কৃতিক বোধবো বিকাশ ঘটে।... ...সমাজৰ এখন বর্তি থাকে তাৰ বহুযুগীয় বিৱর্তনৰ অভিজ্ঞতাৰ আধাৰত। ব্যক্তিয়ে সমাজৰপৰা সেইবোৰ আহৰণ কৰে।... ...সমাজ বর্তি থাকে কিছুমান অনুশাসনৰ মাজেদি। ব্যক্তিয়ে এই অনুশাসনবোৰৰ অনুশীলনৰ মাজেদি নিজকে সমাজৰ অংগীভূত বুলি মানি লয়। ব্যক্তিৰ প্রবৃত্তিৰ সংযমতা আৰু মানসিক উত্তৰণো সমাজৰ এই অনুশাসনৰ বাবেই সম্ভৱ হয়।... ...ব্যক্তিৰ পৰিশোধন, উদ্ভাৱন আৰু নান্দনিকতাৰ আধাৰ সমাজ...।

**৩নং প্রশ্নৰ উত্তৰ ঃ** 'সংস্কৃতি' দৰাচলতে মানুহৰ সামাজিক জীৱন প্রবাহ।... ...বস্তুগত, মানসিক আদি সকলো সামৰি সংস্কৃতি।... ...এই দিশৰপৰা চাবলৈ গ'লে পৃথিৱীৰ সকলো মানুহৰে সংস্কৃতি একে। আহাৰ, নিদ্রা, বাসস্থান, মৈথুন আদিৰ প্রয়োজন সকলো মানুহৰে থাকে। সুখ-দুখৰ অনুভূতি, আপোন-পৰ ভাব, মাতৃত্বৰ অনুভৱ আদিও সহজাত।... ...'মানুহ' এটা জৈৱিক প্রজাতি... ...সেই অর্থত ই বিশ্বজনীন।... ...আনহাতে, পাৰিপার্শ্বিকতা, বিকাশৰ স্তৰ, দেশগত পৰিচয় আদি অনুসৰি বিশ্বজনীন সংস্কৃতিৰে ৰূপভেদ আছে। যেনে— ভাৰতীয় সংস্কৃতি, পশ্চিমীয়া সংস্কৃতি ইত্যাদি। এই ভাৰতীয় সংস্কৃতিৰ বুকুতে অসমীয়া সংস্কৃতি, বঙালী সংস্কৃতি, দ্রাবিড়ীয় সংস্কৃতি, ইন্দো-মংগোলীয় সংস্কৃতি আদি একাকাৰ হৈ আছে।... ...অসমীয়া সংস্কৃতি বুলিলে পৰিসৰটো ভাৰতীয় সংস্কৃতিতকৈ ঠেক, কিন্তু বড়ো সংস্কৃতি বা শংকৰী সংস্কৃতিতকৈ বহল।... ...গ্রাম্য সংস্কৃতি, নৈপৰীয়া সংস্কৃতি...।



## ১.১০ আৰ্হি প্রশ্ন

**প্রশ্ন ১ ঃ** 'সংস্কৃতি' শব্দৰ বুৎপত্তিগত অর্থ লিখি ইয়াৰ প্রয়োগৰ পৰিসৰ সম্বন্ধে আলোচনা কৰক।

**প্রশ্ন ২ ঃ** 'Culture' শব্দৰ বিভিন্ন সংজ্ঞাসমূহৰ ভিত্তিত Culture সম্বন্ধে আপোনাৰ নিজৰ ধাৰণা প্রকাশ কৰি এটা প্রবন্ধ যুগুত কৰক।

**প্রশ্ন ৩ ঃ** "সংস্কৃতি সামাজিক অনুশীলনৰ ফল" —কথাষাৰ ব্যাখ্যা কৰক।

**প্রশ্ন ৪ ঃ** পৰিৱেশ বা আবাসভূমিৰ সৈতে সংস্কৃতিৰ সম্পর্ক বিচাৰ কৰক।

**প্ৰশ্ন ৫ ঃ** সংস্কৃতিৰ উচ্চ-নিম্ন, পাছপৰা-আগবঢ়া আদি ধাৰণাৰ যুক্তিযুক্ততা বিচাৰ কৰি নিজস্ব মন্তব্য দাঙি ধৰক।

**প্ৰশ্ন ৬ ঃ** "সংস্কৃতি এক অৰ্থত বিশ্বজনীন। আনহাতে ইয়াৰ দেশগত, কালগত, জাতিগত আদি ৰূপভেদ আছে।" —কথাষাৰ উদাহৰণসহ আলোচনা কৰক।

**প্ৰশ্ন ৭ ঃ** সংস্কৃতিৰ উপাদানসমূহ আলোচনা কৰক।

**প্ৰশ্ন ৮ ঃ** সংস্কৃতিৰ বৈশিষ্ট্যবোৰ আপুনি কেনেদৰে বিচাৰ কৰিব— সেই সম্পৰ্কে এটা প্ৰবন্ধ যুগুত কৰক।

**প্ৰশ্ন ৯ ঃ** "সংস্কৃতিৰ এটা মাত্ৰা হ'ল— পৰিশোধন বা পৰিমাৰ্জন।" —এই দিশৰপৰা সংস্কৃতি সম্পৰ্কে ৰবীন্দ্ৰনাথৰ দৃষ্টিকোণ আলোচনা কৰি আপোনাৰ নিজস্ব চিন্তাধাৰা ব্যক্ত কৰক।

**প্ৰশ্ন ১০ ঃ** সংস্কৃতিৰ প্ৰধান ভাগ কেইটা কি কি? ভাগকেইটাৰ মাজত পাৰস্পৰিক সম্বন্ধ আৰু পাৰ্থক্য আলোচনা কৰক।

*** ***** ***